**অসম বিধানসভা**
**তৰাবিহিন প্ৰশ্ন নং ৫১৮**
**উত্তৰ দিয়াৰ তাৰিখঃ ২৪-০৭-২০২৬**

বিষয়ঃ ভূমি রাজস্ব ও ভূমি রেকর্ড সংক্রান্ত ডঃ মিলন দাসঃ

মাননীয় রাজস্ব ও দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্রী মোহদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) বহু-প্রজন্মের উত্তরাধিকারজনিত মিউটেশন সমস্যাঃ বর্তমানে বহু ক্ষেত্রে জমির রেকর্ডে মৃত প্রপিতামহ বা পিতামহের নাম বিদ্যমান থাকায় বর্তমান বৈধ উত্তরাধিকারীরা অনলাইনের মাধ্যমে নামজারি (Mutation), অংশীদারি বিভাজন (Partition), যৌথ জমি হস্তান্তর (Composite Land Sale Transfer) এবং অন্যান্য ভূমি-সংক্রান্ত পরিষেবার জন্য আবেদন করতে পারছেন না । এই সমস্যা সমাধানের জন্য সরকার কোনো পরিকল্পনা গ্রহণ করেছেন কি ?

(খ) অনলাইন পার্টিশন (Partition) পরিষেবা সংক্রান্ত সমস্যাঃ যদিও সেবা সেতুর মাধ্যমে অনলাইন পার্টিশন পরিষেবা চালু রয়েছে, তথাপি অনেক পাট্টা 'Hanging Pattadar' থাকার কারণে নাগরিকেরা পার্টিশনর জন্য আবেদন করতে পারছেন না । এই সমস্যা দূর করার জন্য সরকার কোনো কার্যকর ব্যবস্থা গ্রহণ করবেন কি ?

(গ) ই-খাজনা(e-Khajana) প্রদানে পৃথক অংশীদারের সমস্যাঃ বর্তমানে অনেক পাট্টায় একাধিক এজমালি (যৌথ) পাট্টাদার থাকায়, একজন পাট্টাদার ই-খাজনা পরিশোধ করলে সমগ্র পাট্টার খাজনা পরিশোধিত হিসেবে গণ্য হয় । ফলে অন্য অংশীদাররা তাদের নিজ নিজ অংশের খাজনা পৃথকভাবে পরিশোধ করতে পারেন না এবং বকেয়া খাজনার সঠিক হিসাবও হালনাগাদ হয় না । এ ব্যাপারে সরকার কোনো প্রয়োজনীয় ব্যবস্থা গ্রহণ করবেন কি ?

**উত্তৰ**

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিবঃ

ক) উত্তৰাধিকাৰীৰ বাবে নামজাৰী সমস্যাঃ

চৰকাৰ অৱগত যে, ৰাজ্যখনৰ বহু ভূমিৰ ৰেকৰ্ডত (জামাবন্দী) মূল পট্টাদাৰ আৰু পূৰ্বপুৰুষ (মৃত আজোককা/ককা) ৰ নাম আছে । ফলস্বৰূপে বৰ্তমানৰ আইনী উত্তৰাধিকাৰীসকলে নামজাৰী, বাটোৱাৰা, কম্পোজিট লেণ্ড চেল ট্ৰেন্সফাৰ, আৰু অন্যান্য ভূমি সম্পৰ্কীয় সেৱাৰ দৰে অনলাইন সেৱা লাভ কৰাত কিছু অসুবিধাৰ সন্মুখীন হয় । এই সমস্যা সমাধানৰ বাবে চৰকাৰে ইতিমধ্যে তলত দিয়া ব্যৱস্থা গ্ৰহণ কৰিছে ।

১) মৃত পট্টাদাৰৰ নাম আঁতৰাই আইনী উত্তৰাধিকাৰীৰ নাম অন্তৰ্ভূক্ত কৰাৰ বাবে "সেৱা সেতু আৰু ধৰিত্ৰী" (আই এল আৰ এম এছ) পৰ্টেলৰ জৰিয়তে "উত্তৰাধিকাৰীৰ সূত্ৰে নামজাৰী" নামৰ এটা সুকীয়া অনলাইন সেৱা উপলব্ধ কৰা হৈছে ।

২) “ ভূমি ৰেকৰ্ডত নাম আৰু অন্যান্য প্ৰৱেশৰ সংশোধন(লিগেচি তথ্য অনুসৰি)” সেৱাৰ জৰিয়তে ভূমি প্ৰৱেশৰ সংশোধনৰ বাবে আবেদন কৰিব পাৰি আৰু শুধৰাব পাৰি ।

৩) নামজাৰী, প্ৰক্ৰিয়াটো সৰল আৰু ক্ষিপ্ৰ কৰিবলৈ চৰকাৰে কম্পোজিট লেন্ড চেল ট্ৰেন্সফাৰ সেৱা আৰু পঞ্জীয়নৰ পিছৰ স্বয়ং-নামজাৰী, ব্যৱস্থা প্ৰৱৰ্তন কৰিছে ।

৪) দীৰ্ঘদিন ধৰি বাকী থকা উত্তৰাধিকাৰ ভিত্তিক নামজাৰী গোচৰসমূহৰ ক্ষিপ্ৰ নিষ্পত্তি নিশ্চিত কৰিবলৈ মিছন বসুন্ধৰাৰ অধীনত বিশেষ অভিযান চলোৱা হৈছে ।

খ) অনলাইন বাটোৱাৰা সেৱাৰ সৈতে জড়িত সমস্যাঃ

চৰকাৰ অৱগত, যে সেৱা সেতুৰ জৰিয়তে অনলাইন বিভাজন সেৱা উপলব্ধ হোবাৰ পছতো ভূমিৰ ৰেকৰ্ড ডিজিটেলাইজেচনৰ সময়ত কিছুমান পট্টাত অসম্পূৰ্ণ বা অসংলগ্ন পট্টাদাৰ তথ্যৰ বাবে নাগৰিকসকলে অনলাইন বাটোৱাৰা বাবে আবেদন কৰাত অসুবিধাৰ সন্মুখীন হয়, যাক ওলমা পট্টাদাৰ বুলি কোৱা হয় ।

এই সমস্যা সমাধানৰ বাবে চৰকাৰে তলত দিয়া ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিছেঃ

১) ধৰিত্ৰী (আইএল আৰ এম এছ) পৰ্টেলত “হেংগিং পট্টাদাৰ চিনাক্ত আৰু সংশোধন কৰিবলৈ চক্ৰ বিষয়া কাৰ্যালয় পৰ্যায়ত বিশেষ নাম কৰ্তন দ্ৰাইভ গ্ৰহন কৰা হৈছে । ইয়াৰ বাবে ”Name Strike Out” নামেৰে এক সেৱা উপলব্ধ ।

২) মিছন বসুন্ধৰাৰ অধীনত “The Correction of Name and other entry in Land Records(as per legacy data)” সেৱাৰ জৰিয়তে অসম্পূৰ্ণ পট্টাদৰ তথ্য সম্পূৰ্ণ কৰাৰ লগতে জামাবন্দিৰ ৰেকৰ্ড সংশোধনৰ সুবিধা প্ৰদান কৰি হৈছে, যাৰ ফলত সংশ্লিষ্ট পট্টাত “হেংগিং পট্টাদাৰ সমস্যা সমাধানৰ সম্ভৱ হৈছে ।

৩) অসম ভূমি আৰু ৰাজহ নিয়মাৱলী, ১৮৮৬ৰ ১১৬ নং নিয়ম অনুসৰি, যিজন ব্যক্তিৰ নাম আৰু অধিকাৰৰ অভিলেখৰ পৰা আঁতৰোৱাৰ ব্যৱস্থা, শুনানিৰ উপযুক্ত সুযোগ প্ৰদান কৰাৰ পিছত, ভূমিৰ ৰেকৰ্ড শুধৰণিৰ বাবে প্ৰয়োগ কৰা হৈছে ।

৪) এন আই চিৰ কাৰিকৰী সহায়ৰ সহায়ত “হেংগিং পট্টাদাৰ প্ৰৱেশসমূহ” যুক্ত পট্টাসমূহ পদ্ধতিগতভাৱে চিনাক্ত কৰিবলৈ আৰু ইয়াৰ সমাধানৰ সুবিধাৰ বাৱে ধৰিত্ৰী চফট ৱেৰত প্ৰযোজনীয় উন্নতীকৰণ কৰা হৈছে প্ৰয়োজনীয় সংশোধনৰ পিছত সংশ্লিষ্ট পট্টাৰ বাবে অনলাইন বাটোৱাৰা সেৱা নিৰৱিচ্ছিন্নভাৱে উপলব্ধ কৰা হ’ব ।

গ) ই খাজানা (ভূমি ৰাজহ) পৃথককৈ পৰিশোধৰ সম্পৰ্কীয় বিষয় ।

বৰ্তমান ভূমি ৰাজহৰ দাবী মূলতঃ বৰ্তমানৰ পট্টা/জমাবন্দীৰ ভিত্তিত সৃষ্টি কৰা হয় । সেয়েহে য’ত এখন পট্টাত এজনতকৈ অধিক পট্টাদাৰ থাকে, তেনে ঠাইত এজন পট্টাদাৰে দিয়া ধন সমগ্ৰ পট্টাৰ দাবীৰ বিপৰীতে গ্ৰহণ কৰা হয় । বৰ্তমানৰ ভূমিৰ ৰেকৰ্ড পট্টাভিত্তিক আৰু বহু ক্ষেত্ৰত সঠিক পট্টাদাৰ অংশ ভিত্তিক বা পৃথক ৰাজহৰ দায়বদ্ধতা স্পষ্টভাৱে লিপিবদ্ধ কৰা হোৱা নাই । চৰকাৰে এই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখিছে আৰু এই বিষয়টোৰ সমাধানৰ বাবে পদ্ধতিগত ব্যৱস্থা লৈ থকা হৈছে ।

১) বিভাগে বকেয়া প্ৰি-আপডেচন(Arrear Pre updation) কৰি আহিছে যাতে অনলাইন পেমেন্ট কৰাৰ আগতে পুৰণি বকেয়া প্ৰৱেশসমূহ শুধৰণি কৰিৰ পৰা যায় ।

২) অধিসূচিত অনলাইন ভূমি সেৱাৰ জৰিয়তে নাগৰিকে ভূমি বাটোৱাৰা বাবে আবেদন কৰাৰ সুবিধা আছে । বিভাজন প্ৰক্ৰিয়া সম্পূৰ্ণ হ’লে আৰু পৃথক পট্টা/ সৃষ্টি হ’লে পৃথক ভূমি ৰাজহৰ দাবী সৃষ্টি কৰিব পাৰি আৰু সেই অনুসৰি পৰিশোধ কৰিব পাৰি ।

৩) বিভাগে ই খাজানা ব্যৱস্থা-স্তৰৰ উন্নতিকৰনৰ পৰীক্ষা কৰি আছে যাতে কোনো কাৰিকৰী আৰু আইনীভাৱে সম্ভৱপৰ পেমেন্টৰ বিৱৰণ, খাজানা জমা দিওঁতা পট্টা, দাগ আৰু অংশ/কলি বিৱৰণ আদিৰ উল্লেখ কৰি অধিক সঠিকভাৱে কৰা যায় ।

৪) "এক দাগ, এক পট্টাৰ" জৰিয়তে ভূমিৰ নথি সৰলীকৰণৰ সৈতে জড়িত প্ৰস্তাৱিত সংস্কাৰসমূহে আৰু পৰৱৰ্তী জৰীপ অভিযান (resurvey of all cadastral village across Assam) এই সমস্য বহু পৰিমাণে লাঘৱ কৰিব । ইয়াৰ ফলস্বৰূপে ৰাজহ মূল্যায়ন/মূল্যাংকন, সুস্পষ্ট মালিকিস্বত্ব তথা ৰাজহ জমা দিয়াৰ সুচল ব্যৱস্থা হৈ উঠিব ।

সেয়েহে ই-খাজানাই বৰ্তমানৰ পট্টা ভিত্তিক ভূমি অভিলেখৰ গাঁথনিৰ ওপৰত ভিত্তি কৰি কাম কৰি থকাৰ সময়তে চৰকাৰে বকেয়া চাহিদাৰ সংশোধনৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা, ডিজিটেল ভূমি অভিলেখৰ বাটোৱাৰা উন্নতিৰ সুবিধা প্ৰদান কৰা আৰু ভৱিষ্যতে ব্যৱস্থা-স্তৰৰ বৰ্ধকসমূহৰ সঠিক আৰু নাগৰিককেন্দ্ৰীক সুবিধাপূৰ্ণ ভূমি ৰাজহ পৰিশোধ নিশ্চিত কৰাৰ ব্যৱস্থা লৈ থকা হৈছে ।

******************